(ক) ৰং (Colour) : এটা ঘৰৰ বিভিন্ন কোঠা আকৰ্ষণীয় কৰাত ৰঙে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। গৃহ সজ্জাৰ উপযুক্ত বৰ্ণ ব্যৱহাৰ কৰিব পাৰিলে, ঘৰৰ সৌন্দৰ্য্য বৃদ্ধি কৰাৰ লগতে বাসিন্দাসকলৰ মনত আনন্দ দিয়ে। সেয়েহে বিভিন্ন ৰঙ আৰু তাৰ পৰস্পৰৰ সমন্ধৰ সম্পৰ্কে কিছু ধাৰণা থকাৰ প্ৰয়োজন। এই ক্ষেত্ৰত তিনিটা 'সংজ্ঞা' সচৰাচৰ ব্যৱহাৰ কৰা হয়, যেনে — হিউ, মূল্য আৰু গাঢ়তা।

হিউ (Hue) বুলিলে ৰঙৰ নাম বুজায়

মুল্য (Value) বুলিলে ৰঙৰ গাঢ়তা যেনে— ডাঠ বা পাতল বুজায়

প্ৰখৰতা (Intensity) বুলিলে উজ্জ্বলতা বা অনুজ্জ্বলতা বুজায়।

**ৰঙৰ শ্ৰেণী বিভাগ (Classification of Colour) বা প্ৰকাৰ :** ৰঙক তিনিটা ভাগত ভাগ কৰা হৈছে— প্ৰাথমিক, গৌণ আৰু প্ৰান্তিক বা

সহায়ক ৰঙ।

**প্ৰাথমিক ৰঙঃ** ৰঙা, নীলা, হালধীয়া ৰঙক প্ৰাথমিক ৰঙ বোলে। এই তিনিটা ৰঙৰ পৰা আন আন ৰঙ পাব পাৰি, কিন্তু আন কোনো ৰঙৰ সংমিশ্ৰনত এই তিনিবিধ ৰঙৰ উৎপত্তি নহয়।


**মাধ্যমিক বা গৌণ ৰঙঃ** যিকোনো দুটা প্ৰাথমিক ৰঙৰ সংমিশ্ৰণৰ পৰা এই ৰঙ পাব পাৰি। এনে সংমিশ্ৰন কৰোতে একে পৰিমাণৰ ৰং লোৱা হয়। যেনে নীলা আৰু হালধীয়া ৰঙৰ সংমিশ্ৰনত সেউজীয়া ৰঙ পোৱা যায়।

| প্ৰাথমিক ৰঙ | + | প্ৰাথমিক ৰঙ | = মাধ্যমিক ৰঙ |
|---|---|---|---|
| ৰঙা | + | নীলা | = বেঙুনীয়া ৰঙ |
| নীলা | + | হালধীয়া | = সেউজীয়া ৰঙ |
| ৰঙা | + | হালধীয়া | = কমলা ৰঙ |


**প্ৰান্তিক ৰঙ বা সহায়ক ৰঙঃ** এই ৰঙ, প্ৰাথমিক আৰু গৌণ ৰঙৰ সমপৰিমাণৰ সংমিশ্ৰনত পোৱা যায়। যেনে ৰঙাৰ লগত কমলা-ৰঙা মিহলাই 'কমলা ৰঙা' পোৱা যায়।

| প্ৰাথমিকৰঙ | + | মাধ্যমিক ৰঙ | = প্ৰান্তিক বা সহায়কৰঙ |
|---|---|---|---|
| ৰঙা | + | কমলা | = ৰঙা-কমলা |
| হালধীয়া | + | সেউজীয়া | = সেউজী-হালধীয়া |
| নীলা | + | সেউজীয়া | = সেউজ-নীলা |

**ৰঙৰ চক্ৰ (Colour Wheel) ঃ** ৰঙৰ চক্ৰ হ'ল এনে চক্ৰ য'ত প্ৰাথমিক, গৌণ আৰু প্ৰান্তিক ৰঙসমূহ থাকে।




প্ৰাথমিক ৰঙ    গৌণ ৰঙ    প্ৰান্তিক ৰঙ




এক ৰঙৰ আঁচনি    বিপৰীত মুখী ৰঙৰ আঁচনি


**উষ্ম ৰং (Warm Colour) ঃ** ৰঙৰ চক্ৰৰ কেতবোৰ ৰঙ দেখিলে উষ্ম অনুভূতি অৰ্থাৎ গৰম অনুভৱ হয় যেনে ৰঙা, হালধীয়া, কমলা ৰঙ আদিক উষ্ম ৰঙ বোলে।

**শীতল ৰঙ (Cool Colour) ঃ** যিবোৰ ৰঙ দেখিলে শীতল অনুভৱ কৰা হয়, তেনে ৰঙক শীতল ৰঙ বোলে যেনে নীলা, সেউজীয়া আদি ৰঙবোৰক শীতল ৰঙ বোলে।

**ৰঙৰ আঁচনি (Colour Scheme) ঃ** ৰঙৰ ব্যৱহাৰৰ বাবে বিভিন্ন ৰঙ লৈ কৰা পৰিকল্পনাকে 'ৰঙৰ আঁচনি' বোলে, এই আঁচনি বিভিন্ন ৰঙৰ মাজৰ মিত্ৰতাৰ সম্পৰ্ক বা বিবাদৰ সম্পৰ্কৰ সহায়েৰে কৰা হয়। মিত্ৰতাৰ সম্পৰ্ক থকা বিভিন্ন ৰঙ, এটা আন এটাৰ পৰিপূৰক হয় কিন্তু মিত্ৰতা নথকা ৰঙৰ ক্ষেত্ৰত এটাই আনটোৰ বিপৰীতভাৱেহে প্ৰকট কৰি তোলে। এনে ৰঙৰ পৰাও আঁচনি তৈয়াৰ কৰিব পাৰি। ৰঙৰ আঁচনি কেইবা প্ৰকাৰৰো আছে। যেনে—

**ক) এক ৰঙৰ আঁচনি বা ম'নক্ৰমেটিক ৰঙৰ আঁচনি (Monochromatic colour Scheme) ঃ** এই আঁচনিত এবিধ ৰঙ ব্যৱহাৰ কৰা হয়। অৱশ্যে সেইবিধ ৰঙৰ বিভিন্ন শ্বেড (Shade) লোৱা হয়। উদাহৰণস্বৰূপে, এটা কোঠাৰ মজিয়াত ডাঠ সেউজীয়া ৰঙৰ কাৰ্পেট, বেৰৰ ৰঙ পাতল সেউজীয়া, পৰ্দ্দাৰ ৰঙো যদি সেউজীয়া হয় বা সেউজীয়া প্ৰিন্টৰ হয়, তেতিয়া এই ৰঙৰ আঁচনি অনুসৰণ কৰা হৈছে বুলি ক'ব পাৰি।

**খ) অনুৰূপ বা সাদৃশ্য থকা ৰঙৰ আঁচনি (Analogous Colour Scheme) ঃ** এই আঁচনিত ৰঙৰ চক্ৰৰ কেইবাটাও ওচৰা-ওচৰকৈ থকা ৰঙ অৰ্থাৎ সাদৃশ্য থকা অনুৰূপ ৰঙ একেলগে ব্যৱহাৰ কৰা হয়। ইয়াত তিনিটাৰ পৰা পাঁচটা ৰঙ একেলগে ব্যৱহাৰ কৰিব পাৰি। উদাহৰণস্বৰূপে— হালধীয়াৰ লগত সেউজ হালধীয়া আৰু কমলা হালধীয়া ৰঙৰ ব্যৱহাৰ।



*সদৃশ থকা ৰঙৰ আঁচনি*

**গ) বিপৰীতমুখী ৰঙৰ আঁচনি (Contrast Colour Scheme) ঃ** ৰঙৰ চক্ৰত এটা ৰঙৰ বিপৰীতে থকা ৰঙ, একেলগে এই আঁচনিত ব্যৱহাৰ কৰা হয়। সাধাৰণতে এটা উষ্ম ৰঙৰ লগত শীতল ৰঙ পৰে। শীতল ৰঙৰ পৰিমাণ বঢ়াই উজ্বল ৰঙৰ পৰিমাণ কমালে কোঠাৰ ৰঙ বেছ আকৰ্ষণীয় আৰু সুন্দৰ কৰিব পাৰি। যেনে কোঠাৰ মজিয়াত ৰঙা কাৰ্পেট, বেৰত সেউজীয়া

ৰঙ আৰু লগত মিলাই আন আন ক্ষেত্ৰটো বিপৰীত ৰঙ ব্যৱহাৰ কৰিব পাৰি।

এই তিনিটা ৰঙৰ আঁচনিৰ উপৰিও ত্ৰায়েদ বা তিনি ৰঙী ৰঙৰ আঁচনি, ভগ্ন বিপৰীত মুখী আঁচনি আদি আছে।

**বিভিন্ন কোঠাৰ বাবে ৰঙৰ আঁচনি নিৰ্বাচন (Selection of colour scheme for different rooms) ঃ** ৰঙৰ সুপৰিকল্পিত আঁচনিৰ দ্বাৰা, এটা আন্ধাৰ কোঠাক পোহৰ কৰি তুলিব পাৰি, প্ৰাণহীন বস্তু এটাক জীৱন্ত কৰি তোলাৰ লগতে বিবৰ্ণ হৈ যোৱা এটা বস্তুলৈ উজ্জ্বলতা আনিব পাৰি। সেয়েহে ৰঙ নিৰ্বাচন, এটা গুৰুত্বপূৰ্ণ দিশ আৰু এনে কৰোতে, কেইটামান কথালৈ মন কৰিব লাগিব যেনে — কোঠাৰ আকাৰ আৰু আকৃতি, কোঠাৰ ষ্টাইল বা ধৰণ, কোঠাৰ ব্যৱহাৰ, ব্যক্তিগত ৰুচি আৰু চলন্ত ফেশ্বন।

কোঠাৰ বেৰবোৰত শীতল আৰু পাতল ৰঙ ব্যৱহাৰৰ যোগেদি এটা সৰু কোঠা দেখাত আহল বহল কৰিব পাৰি। এটা ঠেক, দীঘল কোঠাৰ দীঘল বেৰ দুখনত উজ্জ্বল ৰঙ দিয়া হয়, তেতিয়া কোঠাটো দীঘলীয়া যেন নালাগিব।

ৰঙৰ নিৰ্বাচনত কোঠা এটা কেনেকুৱা ষ্টাইলত সজোৱা হ'ব আৰু বৰ্তমান কেনে ফেশ্বন চলিছে, সেই দুটা কথা মন কৰিব লাগে। ইয়াৰ উপৰিও ব্যক্তিগত ৰুচিয়েও প্ৰাধান্য পায়। ৰঙৰ

ব্যৱহাৰৰ যোগেদি ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ পায়। সাধাৰণতে উৎসাহী, মৰমিয়াল ব্যক্তিয়ে ৰঙা ৰঙৰ লগত মিল থকা ৰঙবোৰ আৰু শান্তিপ্ৰিয় ব্যক্তিয়ে নীলা, সেউজীয়া ৰঙৰ লগত মিল থকা ৰঙ ব্যৱহাৰ কৰিব বিচাৰে। ৰঙৰ নিৰ্বাচনত কোঠাৰ ব্যৱহাৰৰ দিশটোও মন কৰিব লাগে। সেয়ে বঢ়া কোঠাত উষ্ম ৰং যেনে— হালধীয়া, গুলপীয়া, শোৱা কোঠাত স্নিগ্ধ ৰং যেনে সেউজীয়া, নীলা আদি ৰঙৰ উপযোগী।